# পৰিৱেশ সজাগতা অভিযান

## “আৱৰ্জনা মুক্ত পৰিৱেশ গঢ়ো আহক”

pcba

অসম প্ৰদূষণ নিয়ন্ত্ৰণ পৰিষদ

বামুণীমৈদাম, গুৱাহাটী - ২১

আৱৰ্জনা পৰিৱেশৰ শত্ৰু। আমাৰ ঘৰুৱা, আবাসিক, বাণিজ্যিক, ঔদ্যোগিক বা অন্যান্য কাম-কাজৰ পৰা সৃষ্টি হোৱা অলাগতিয়াল জৈৱিক বা অজৈৱিক পদাৰ্থবোৰ বা আৱৰ্জনাবোৰ বিবেচনাহীনভাৱে যেনিয়ে-তেনিয়ে পেলাই দিয়াৰ ফলত সৃষ্টি হয় কদৰ্য্যময় পৰিৱেশ। ই পৰিৱেশ প্ৰদূষিত কৰাৰ লগতে জনস্বাস্থ্যৰ ওপৰতো বিৰূপ প্ৰভাৱ পেলায়।

বৰ্তমান সময়ত আৱৰ্জনা বা পেলনীয়া বস্তু বিশ্বজুৰি এক পৰিৱেশ আৰু স্বাস্থ্যজনিত সমস্যা হৈ পৰিছে - বিশেষকৈ নগৰ-চহৰবোৰত। নগৰীয়া অঞ্চলৰ বৰ্দ্ধিত জনসংখ্যা, দ্ৰুত উন্নয়ন, আৰু মানুহৰ জীৱন ধাৰণ প্ৰণালীৰ পৰিৱৰ্তন আৰু পৰিৱেশৰ প্ৰতি উদাসীনতা আদিৰ ফলত এহাতে আৱৰ্জনাৰ পৰিমাণ দিনক দিনে বাঢ়িব লাগিছে, আনহাতে জাৱৰ-জোঁথৰ সঠিকভাৱে সংগ্ৰহ কৰা, জমা কৰা, আৰু পেলোৱা বিধিগত ব্যৱস্থাটোৰ আসোঁৱাহ বা বেমেজালিৰ বাবে আৱৰ্জনাই সৃষ্টি কৰা সমস্যাই ক্ৰমাৎ জটিল ৰূপ ধাৰণ কৰিব লাগিছে।

এইটো ইতিমধ্যে প্ৰতিপন্ন হৈছে যে আৱৰ্জনাই সৃষ্টি কৰা সমস্যাৰ প্ৰকোপ বহুলাংশে আমাৰ অভ্যাস, পৰিৱেশৰ প্ৰতি থকা দায়বদ্ধতা আৰু সজাগতাৰ ওপৰত নিৰ্ভৰশীল। সেয়ে এক আৱৰ্জনা মুক্ত পৰিৱেশ গঢ়াৰ হকে সমাজৰ সকলো শ্ৰেণীৰ নাগৰিকে সজাগ আৰু সচেতনহৈ ঐক্যবদ্ধভাৱে সহযোগিতা আগবঢ়োৱাটো নিতান্তই প্ৰয়োজন।





## আৱৰ্জনাৰ ইটো-সিটো

- বৰ্তমান আমাৰ দেশৰ নগৰীয়া অঞ্চলৰ প্ৰতিজন মানুহে দৈনিক গড়ে ৩০০ গ্ৰামৰ পৰা ৪০০ গ্ৰাম আৱৰ্জনা উৎপন্ন কৰে আৰু ইয়াৰ পৰিমাণ ২০২৫ চনত প্ৰায় ৭০০ গ্ৰাম হ'বগৈ।
- ভাৰতবৰ্ষত বৰ্তমান প্ৰায় ৭০ নিযুত টন আৱৰ্জনা উৎপন্ন হোৱাৰ বিপৰীতে ২০৩০ চনত ইয়াৰ পৰিমাণ প্ৰায় ৩৭০ নিযুত টন হ'বগৈ।
- আমাৰ দেশত আৱৰ্জনাৰ বছৰি বৃদ্ধিৰ হাৰ প্ৰায় ১.৩ শতাংশ।
- মুঠ আৱৰ্জনাৰ প্ৰায় ৪৩.৯৫% জৈৱিক ; ০.৮১% কাগজ; ০.৬২% প্লাষ্টিক; ০.৪৪% কাচ বা চীনা মাটিৰ টুকুৰা; ০.৬৪% বিভিন্ন ধাতৰ পদাৰ্থ ; ৪১.৮১% শিল/বালি/ছাই; আৰু বাকী ১১.৭৩% অন্যান্য বস্তু ।
- মুঠ আৱৰ্জনাৰ প্ৰায় ১৩.০% ৰ পৰা ২০.০০ শতাংশ পুনৰাৱৰ্তন কৰিব পৰা বিধৰ।

## আৱৰ্জনাই সৃষ্টি কৰা সমস্যা

- মাটি, পানী আৰু বায়ু প্ৰদূষণত অৰিহণা যোগায়।
- পৰিৱেশৰ নান্দনিক সৌন্দৰ্য্য বিনষ্ট কৰে।
- জনস্বাস্থ্যত বিৰূপ প্ৰভাৱ পেলায়। অবিজ্ঞানসন্মতভাৱে জাৱৰ-জোঁথৰ পেলোৱা ঠাইৰ ওচৰৰ বাসিন্দা সকলে জণ্ডিছ, ডায়েৰিয়া, গেষ্ট্ৰিক, এনকেফেলাইটিছ, ডিচেন্ট্ৰি, হালধীয়া জ্বৰ, প্লেগ, ডেংগি আদি ৰোগত ভোগাৰ আশংকা বেছি।
- অবিজ্ঞানসন্মতভাৱে পেলোৱা আৱৰ্জনাৰ দ'মবোৰ বিভিন্ন ৰোগৰ বীজাণু কঢ়িয়াই নিয়া সৰু সৰু পোক-পতংগ, মাখি, পইতাচোৰা, এন্দুৰ, নিগনি আদি প্ৰাণীৰ উত্তম আৱাস স্থল।
- আৱৰ্জনাই গোন্ধ প্ৰদূষণ ঘটায়।

## আমি কি কৰাৰ প্ৰয়োজন

- সকলো ক্ষেত্ৰতে সম্পদৰ সদব্যৱহাৰেৰে আৱৰ্জনাৰ পৰিমাণ কমাব লাগে।
- নিজৰ খেয়াল-খুচি মতে আৱৰ্জনা যেনিয়ে-তেনিয়ে নেপেলাব আৰু আনকো কওক ।
- আৱৰ্জনা পেলোৱাৰ বাবে নিৰ্দিষ্ট কৰা ঠাইতহে ইয়াক পেলাব লাগে।
- পেলনীয়া বস্তু সম্ভৱ হ'লে পুনঃব্যৱহাৰ কৰিব লাগে।
- পুনৰাৱৰ্তন কৰিব পৰা পেলনীয়া সামগ্ৰী বিক্ৰী কৰক।
- জৈৱিক আৱৰ্জনা সম্ভৱ হ'লে ঘৰৰ চৌহদত পুতি থ'ব পাৰি বা ইয়াৰ পৰা পচন সাৰ তৈয়াৰ কৰিব পাৰি।
- জাৱৰ-জোঁথৰ সঠিক ভাৱে পেলোৱাৰ প্ৰয়োজনীয়তা সম্পৰ্কে পৰিয়ালৰ আন সদস্য আৰু ওচৰ-চুবুৰীয়াৰ লগত আলোচনা কৰক।

## জানি থোৱা ভাল

- ভাৰত চৰকাৰৰ 'Municipal Solid Waste (Management and Handling) Rules, 2000' মতে নগৰীয়া গোটা আৱৰ্জনা সঠিক ভাৱে সংগ্ৰহ কৰা, জমা কৰা, পেলোৱা বা পুনৰাৱৰ্তন কৰাৰ ব্যৱস্থা স্থানীয় নগৰ প্ৰশাসনে ল'ব লাগে।
- উক্ত বিধি মতে ৰাজ্যিক প্ৰদূষণ নিয়ন্ত্ৰণ পৰিষদে আৱৰ্জনা পেলোৱা ক্ষেত্ৰ (Landfill Site ) আৰু আৱৰ্জনা পুনৰাৱৰ্তন কেন্দ্ৰ ( Waste Processing Unit) ৰ পৰা হ'ব পৰা মাটি, পানী আৰু বায়ু প্ৰদূষণৰ দিশসমূহ নিৰীক্ষণ কৰিব লাগে।




আৱৰ্জনা মুক্ত পৰিৱেশ গঢ়াৰ হকে জনসজাগতা সৃষ্টিৰ লক্ষ্যেৰে
অসম প্ৰদূষণ নিয়ন্ত্ৰণ পৰিষদৰ দ্বাৰা প্ৰকাশিত আৰু প্ৰচাৰিত।

Printed at Fairgraphics Media Services Pvt. Ltd., bamunimaidam, Ph# 0361-2656899